Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নৱম শ্ৰেণীৰ পাঠ্যপুথি

ভূগোল

পাঠ - ২

বায়ুমণ্ডল: গঠন, বায়ুৰ চাপ আৰু বায়ু প্ৰবাহ

অংশ – ৩

শ্ৰাৱণী দেৱী

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বতাহ বা বায়ুপ্রবাহৰ সংজ্ঞা

- সাধাৰণতে বায়ুমণ্ডলৰ বায়ু কেতিয়াও সম্পূৰ্ণৰূপে স্থিৰ হৈ নাথাকে।
- গতি কৰিলে বায়ুক বতাহ বোলা হয়।
- সাধাৰণতে এই বায়ুৰ গতি পৃথিৱীৰ পৃষ্ঠৰ সমান্তৰালভাৱে সংঘটিত হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মূলতঃ বায়ুৰ গতি ২ প্ৰকাৰৰ —

(১) অনুভূমিক বতাহ

(২) উলম্ব বতাহ

- বতৰ বিজ্ঞানৰ সংজ্ঞা অনুসৰি যেতিয়া বায়ু পৃথিৱীৰ পৃষ্ঠৰ সমান্তৰালভাৱে গতি কৰে তেতিয়া ইয়াক বতাহ বুলি জনা যায়।
- বায়ুৰ এই গতি সদায় অনুভূমিক।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বায়ু যেতিয়া উলম্বভাৱে ওপৰলৈ গতি কৰে তেতিয়া ইয়াক উলম্ব বতাহ বা কাৰেণ্ট।
- বতাহ অনুভূমিক আৰু উলম্ব দুয়োটা দিশতে গতি কৰিলেও বায়ুৰ অনুভূমিক গতি অধিক উল্লেখযোগ্য।

কাৰণ — অনুভূমিক গতিৰ লগত জড়িত বায়ুৰ আয়তন উলম্ব গতিতকৈ বহুগুণে বেছি।

Under CSR Support by
ipca | Foundation


শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ইয়াতকৈ বেছি গুৰুত্বপূৰ্ণ যে কোনো ঠাইৰ বতৰ আৰু জলবায়ু বহু পৰিমাণে নিৰ্ভৰ কৰে ইয়াৰ ওপৰত বতাহৰ বৈশিষ্ট্যৰ ওপৰত।
- আচলতে বতাহ বায়ুমণ্ডলৰ বিভিন্ন পৰিঘটনাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম যিয়ে বায়ুমণ্ডলৰ তাপ, আৰ্দ্ৰতা আৰু অন্যান্য বিভিন্ন ভৌতিক বৈশিষ্ট্যসমূহ এঠাইৰ পৰা আন ঠাইলৈ স্থানান্তৰিত কৰাত সহায় কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- গতিকে বহল অর্থত ইয়াক বতাহৰ ব্যৱস্থা বুলি জনা যায়।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বতাহৰ উৎপত্তি আৰু ইয়াৰ গতিৰ কাৰকসমূহ

- বতাহ মূলতঃ বায়ুমণ্ডলৰ উষ্ণতাৰ পাৰ্থক্য আৰু ইয়াৰ ঘনিষ্ঠভাৱে জড়িত বায়ুমণ্ডলীয় চাপৰ ওপৰত নির্ভৰ কৰে।
- পৃথিৱীৰ পৃষ্ঠভাগ সূৰ্যৰ ৰশ্মিৰ দ্বাৰা সমানভাৱে গৰম নহয়।
- সূৰ্যৰ ৰশ্মি লম্ব হৈ থকাৰ বাবে বিষুৱীয় অঞ্চলত বায়ুমণ্ডলৰ উষ্ণতা সৰ্বোচ্চ হৈ পৰে।


Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- আনহাতে সূৰ্যৰ ৰশ্মি বিষুৱৰেখাৰ পৰা মেৰুৰ ফাললৈ হেলনীয়াকৈ পৰে বাবে মেৰুৰ ফালে উষ্ণতা কমি যায়।
- যেতিয়া কোনো ঠাইৰ বায়ুৰ উষ্ণতা বৃদ্ধি হয় বায়ু পাতল হৈ ওপৰলৈ গতি কৰে, আৰু সেই ঠাইত নিম্ন চাপৰ সৃষ্টি হয়।
- ফলত তুলনামূলকভাৱে কম উষ্ণতাৰ উচ্চ চাপৰ অঞ্চলৰ পৰা নিম্ন চাপৰ অঞ্চললৈ বায়ুৰ গতি কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



- ইয়াৰ অর্থ হ'ল চাপৰ পার্থক্যৰ ফলত হোৱা চাপ নতি ফলত বায়ুৰে গতি আৰম্ভ কৰে।
- এই বায়ুৰ গতি সদায় তুলনামূলকভাৱে উচ্চ চাপৰ অঞ্চলৰ পৰা নিম্ন চাপৰ অঞ্চললৈ হয়। (অর্থাৎ চাপৰ গ্রেডিয়েণ্টৰ দিশত)।
- বতাহৰ বেগ চাপ নতি শক্তিৰ ওপৰত নির্ভৰ কৰে।

Under CSR Support by
ipca | Foundation


শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



- ভূপৃষ্ঠৰ পৰা ঊৰ্ধগামী হোৱা বিষুৱীয় অঞ্চলৰ উষ্ণ বায়ু উচ্চ অক্ষাংশ অঞ্চলৰ ফালে গতি কৰে আৰু পুনৰ মেৰু অঞ্চলত নিম্নগামী হয়।
- আকৌ সেই বায়ু বায়ুমণ্ডলৰ নিম্নস্তৰেদি মেৰু অঞ্চলৰ পৰা বিষুৱীয় অঞ্চললৈ চেচাঁ বায়ু হিচাপে গতি কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



উচ্চ চাপ, নিম্ন চাপ আৰু চাপনতি

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- কোনো ঠাইৰ বায়ু চলাচল আৰু ইয়াৰ বৈশিষ্ট্য বহু কাৰকৰ ওপৰত নির্ভৰ কৰে।
- ৪টা প্রতিক্রিয়াশীল শক্তিয়ে বায়ুৰ গতিবিধি বিশেষভাৱে নিয়ন্ত্রণ কৰে।
- এই ৪টা শক্তিয়ে বতাহৰ দিশ আৰু বেগ নির্ণয় কৰা হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সেয়েহে যিকোনো ঠাইত বতাহৰ গতিবিধি প্ৰভাৱিত কৰা প্ৰধান বল বা কাৰকসমূহ —

(১) চাপনতি শক্তি (Pressure Gradient Force)

(২) মাধ্যাকৰ্ষণ শক্তি (Gravitational Force)

(৩) অপকেন্দ্ৰিক শক্তি (Centrifugal Force)

(৪) ঘৰ্ষণ শক্তি (Frictional Force)

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(১) চাপনতি শক্তি

- পৃথিৱীৰ পৃষ্ঠত বায়ুমণ্ডলীয় চাপৰ পার্থক্যৰ পৰা উৎপন্ন হোৱা বলৰ।
- ইয়াৰ ফলত বায়ুৱে গতি কৰে।
- দুটা ঠাইৰ মাজত বায়ুমণ্ডলীয় চাপৰ পার্থক্যৰ হাৰক চাপনতি বোলা হয়।
- এইদৰে চাপনতি ফলত উৎপন্ন হোৱা বলৰ পৰিমাণ দুয়োটা স্থানৰ মাজৰ চাপৰ পার্থক্য আৰু ইহঁতৰ মাজৰ দূৰত্বৰ ওপৰত নির্ভৰ কৰিব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বতাহৰ বেগ অধিক হয়, যদিহে দুয়োখন ঠাইৰ মাজত চাপৰ পার্থক্য বেছি হয় বা চাপনতি অধিক ঠেক হয়।
- কিন্তু, ঠাইবোৰৰ মাজৰ দূৰত্ব বৃদ্ধিৰ লগে লগে বতাহৰ বেগ কমি যায়।
- আকৌ, যিহেতু বায়ুৰ গতি সদায় উচ্চ চাপ (অধিক ঘনত্ব) অঞ্চলৰ পৰা নিম্ন চাপ (কম ঘনত্ব) অঞ্চললৈ হয়, গতিকে দুটা ঠাইৰ মাজৰ চাপনতিয়ে বতাহৰ দিশ নির্ধাৰণ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- যি দিশত চাপ কমি যায়, সেই দিশত চাপনতি জুখিব পাৰি।
- অর্থাৎ কোনো অঞ্চলৰ চাপনতি অধ্যয়ন কৰি আমি তাত প্রচলিত বতাহৰ দিশ আৰু বেগ জানিব পাৰো।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- য'ত চাপনতি যথেষ্ট কম, বতাহৰ গতি প্ৰায় শূন্য আৰু বায়ুমণ্ডলৰ অৱস্থাও শান্ত হৈ থাকে।
- যদি এনে অৱস্থা বৃহৎ অঞ্চলত বিৰাজ কৰে, তেন্তে চাপ বিতৰণৰ মানচিত্ৰত আইছ'বাৰ (সমান বেৰ'মেট্ৰিক চাপ থকা ঠাইবোৰক সংযোগ কৰা ৰেখা) প্ৰায়েই দেখা নাযায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- স্থানীয় উষ্ণতাৰ পার্থক্যৰ ফলত উৎপন্ন হোৱা বায়ুমণ্ডলীয় চাপৰ প্রভাৱ সীমিত। কিন্তু অক্ষাংশ ভিত্তিত থকা উষ্ণতাৰ পার্থক্যই বায়ু চাপৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(২) মাধ্যাকর্ষণ শক্তি

- এনে লাগে যেন বায়ুৰ গতিৰ ক্ষেত্রত পৃথিৱীৰ মাধ্যাকর্ষণ বলৰ কোনো প্রত্যক্ষ অৱদান নাই।
- কিন্তু, পৃথিৱীৰ মাধ্যাকর্ষণ শক্তিও বায়ু গতিৰ চালিকা শক্তি হিচাপে কাম কৰে।
- পৃথিৱীৰ মাধ্যাকর্ষণ শক্তিৰ দ্বাৰা বায়ুমণ্ডল কেন্দ্রৰফালে টানিছে।
- বায়ুৰ ওজন বা চাপও মূলতঃ পৃথিৱীৰ মাধ্যাকর্ষণ বলৰ ওপৰত নির্ভৰ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বায়ুক আকৃষ্ট কৰি ধৰি ৰখা মাধ্যাকর্ষণ শক্তি উচ্চতা বৃদ্ধিৰ লগে লগে কমি যায়।
- সমুদ্রপৃষ্ঠৰ পৰা উচ্চতা বৃদ্ধিৰ লগে লগে বায়ু পাতল হৈ পৰে আৰু বায়ুৰ চাপ কমি যায়।
- এইদৰে বায়ুমণ্ডলত উচ্চ চাপৰ পৰা নিম্ন চাপলৈ বায়ুৰ উলম্ব গতি অব্যাহত থাকে।
- পৃথিৱীৰ পৃষ্ঠত বিভিন্ন ভূ-ৰূপৰ উচ্চতাৰ তাৰতম্যৰ ফলত চাপৰ পার্থক্য দেখা যায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



- ফলত উপত্যকাৰ পৰা (উচ্চ চাপৰ অঞ্চল) পাহাৰলৈ (নিম্ন চাপৰ অঞ্চল) বায়ু চলাচল হয়।
- ইয়াৰ উপৰিও মাধ্যাকর্ষণ বলৰ বাবে এঠাইৰ পৰা আন ঠাইলৈ বায়ুৰ গতি সৰলৰেখাৰ পৰিৱর্তে বক্র হৈ পৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(৩) অপকেন্দ্রিক শক্তি

- পৃথিৱীত আৱর্তন গতিৰ বাবে ইয়াৰ কেন্দ্রৰ পৰা বহিঃমুখী এক শক্তিৰ উদ্ভৱ হয়।
- ইয়াক অপকেন্দ্রিক শক্তি বোলা হয়।
- এই অপকেন্দ্রিক বলৰ বাবে বতাহৰ দিশত সামান্য বিচ্যুতি দেখা যায়।
- এই পৰিঘটনাটো প্রথমে ১৮৪৪ চনত এজন ফৰাচী গণিতজ্ঞ গেছপার্ড ডি ক'ৰিঅ'লিছে আৱিষ্কাৰ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই শক্তিক ‘ক’ৰিওলিছ বল’ বুলি জনা যায়।
- যেতিয়া উচ্চ চাপৰ অঞ্চলৰ পৰা নিম্ন চাপৰ অঞ্চললৈ বতাহ বয়, তেতিয়া ক’ৰিঅ’লিছ বলে বতাহৰ দিশ সামান্য সলনি কৰে।
- এই ক’ৰিও’লিছ বলৰ প্ৰভাৱ পৃথিৱীৰ পৃষ্ঠত বতাহৰ দৰে সকলো চলন্ত বস্তু বা পৰিঘটনাৰ ক্ষেত্ৰত একেই হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- পৃথিৱীৰ আৱর্তন ফলত সৃষ্টি হোৱা বলৰ ফলত বতাহ বিচ্যুত হয়: -
- উত্তৰ গোলার্ধত ঘড়ীৰ কাঁটাৰ দিশত সোঁফালে
- দক্ষিণ গোলার্ধত ঘড়ীৰ কাঁটাৰ বিপৰীত দিশত বাওঁফালে।
- এই পৰিঘটনাক ফেৰেলৰ সূত্র বুলি জনা যায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই নিয়ম অনুসৰি উত্তৰ গোলার্ধত মেৰু দিশলৈ গতি কৰা বতাহ তুলনামূলকভাৱে উত্তৰ-পূব দিশলৈ গতি কৰে।
- পৃথিৱীৰ প্রতিটো ঠাইতে ক'ৰিঅ'লিছ বলৰ পৰিমাণ একে নহয়।
- বিষুৱৰেখাত ই শূন্য।
- ক্রমান্বয়ে মেৰুৰ ফালে বাঢ়ি যায়।
- মেৰুত ই সর্বোচ্চ হৈ পৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ইয়াৰ অর্থ হ'ল বিষুৱীয় অঞ্চলৰ বাহিৰে পৃথিৱীৰ আৱর্তনে পৃথিৱীৰ যিকোনো ঠাইৰ বায়ু চলাচলত প্রভাৱ পেলায়।
- গতিকে, আমি যি বতাহৰ গতি অনুভৱ কৰি আছো সেয়া মূলতঃ পৃথিৱীৰ আৱর্তনৰ ফল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



কোৰিওলিচ বলৰ প্ৰভাৱত বতাহৰ বিক্ষেপণ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(৪) ঘর্ষণ শক্তি

- বায়ুৰ গতিবিধিত ঘর্ষণ বলৰ প্রভাৱ অতি উল্লেখযোগ্য।
- বতাহৰ বেগ নির্ণয় কৰাত ঘর্ষণ বলৰ ঋণাত্মক ক্রিয়া কৰে।
- ঘর্ষণ বলৰ পৰিমাণ বিশেষভাৱে নির্ভৰ কৰে অনুভূমিক বতাহ বলি থকা পৃষ্ঠৰ প্রকৃতিৰ ওপৰত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ইয়াৰ অর্থ হ'ল পৃথিৱীৰ পৃষ্ঠভাগত পাহাৰ আৰু উপত্যকা থকা অসমান ভূখণ্ড, গছ-গছনিৰ আৱৰণ, ওখ অট্টালিকা আদিৰে ভৰা হ'লে ঘর্ষণ বল বেছি হ'ব।
- এনে পৃষ্ঠীয় অৱস্থাত বতাহৰ বেগ বহু কম হ'ব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- সেয়েহে যদি বতাহ পৃথিৱীৰ পৃষ্ঠৰ পৰা যথেষ্ট ওপৰলৈ বয় তেন্তে ঘৰ্ষণৰ পৰিমাণ কম হয় আৰু সেইবাবেই বতাহৰ বেগও বৃদ্ধি পায়।
- একেদৰে পানী বা বৰফৰ আবৃত অঞ্চলৰ মাজেৰে বতাহ বলিলে ঘৰ্ষণ বলৰ প্ৰভাৱো যথেষ্ট কম হ'ব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- কিন্তু, ঘৰ্ষণ বলে বতাহৰ বেগ লেহেমীয়া কৰাই নহয়, বতাহৰ দিশ কিছু পৰিমাণে সলনি কৰে।
- গতিকে বতাহৰ বেগ হ্রাস পোৱাৰ লগতে বতাহৰ বিচ্যুতিত অৰিহণা যোগোৱা ক'ৰিঅ'লিছ বলৰ প্রভাৱো যথেষ্ট হ্রাস পায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- পৃথিৱীৰ পৃষ্ঠত বতাহৰ গতি চাপ নতিৰ ফলত হয়।
- এই চাপ নতিৰ নিজেই প্ৰথম অৱস্থাত বতাহৰ দিশ আৰু বেগ নিৰ্ধাৰণ কৰে।
- কিন্তু, বায়ুৰ গতিৰ সময়ত পৃথিৱীৰ মাধ্যাকৰ্ষণ আৰু অপকেন্দ্ৰিক আৰু ঘৰ্ষণ বলৰ ফলত বতাহৰ দিশ আৰু বেগৰ যথেষ্ট পৰিৱৰ্তন ঘটে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এইদৰে এই ৪টা বলৰ সংযুক্ত ক্ৰিয়াৰ ফলত সৃষ্টি হোৱা বলে গতিশীল বায়ুৰ দিশ আৰু বেগ নিৰ্ধাৰণ কৰে।
- গতিকে, এঠাইৰ পৰা আন ঠাইলৈ বতাহ বতাহে সৰলৰেখাৰ সলনি বক্ৰ পথ লয়।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। বায়ুমণ্ডলৰ চাপৰ পার্থক্যৰ বাবে _____ সৃষ্টি হয়।

(ক) চাপনতি শক্তি

(খ) অপকেন্দ্রিক শক্তি

(গ) মাধ্যাকর্ষণ শক্তি

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। কোৱিওলিছ বলৰ ফলত উত্তৰ গোলার্ধত বায়ুৰ প্রবাহ -

ক) ঘড়ীৰ কাটাৰ দিশত ✓

খ) ঘড়ীৰ কাটাৰ বিপৰীত দিশত

গ) কেন্দ্রৰ দিশত হয়